# 2020

( Held in April–May, 2021 )

## ASSAMESE

Paper : ASM–RC/HG–1016

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। *এটা* বা *দুটা* শব্দত উত্তৰ দিয়া : ১×১০=১০

(ক) প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ কেইটা সাহিত্যিক ৰূপ পোৱা গৈছে ?

(খ) অসমৰ প্ৰাচীনতম নাম কি ?

(গ) *Assamese : Its Formation and Development* নামৰ গ্ৰন্থখনৰ ৰচক কোন ?

(ঘ) কোন শতিকাৰ কাব্যত অসমীয়া ভাষাৰ পৰিস্কাৰ ৰূপ প্ৰথমবাৰৰ বাবে দেখা যায় ?

(ঙ) অসমীয়া ভাষাত আৰবী ভাষাৰ শব্দ-প্ৰৱেশৰ প্ৰথম নিদৰ্শন কোনখন কাব্যত পোৱা যায় ?





(চ) 'বুৰঞ্জী' শব্দটো কোন ভাষাৰ পৰা অসমীয়া ভাষালৈ আহিছে ?

(ছ) মাইল্‌ছ ব্ৰন্‌ছনৰ 'অসমীয়া অভিধান' কোন চনত প্ৰকাশিত হৈছিল ?

(জ) হেমচন্দ্ৰ বৰুৱাৰ 'আত্মজীৱন চৰিত'ত কোনটো বিদেশী ভাষা শিকাৰ কথা আছে ?

(ঝ) অসমীয়া ভাষাক ড০ বাণীকান্ত কাকতিয়ে কেইটা প্ৰধান ভাগত ভাগ কৰিছে ?

(ঞ) অসমৰ কোনখন কাকতত লিখা ভাষাত হ্ৰস্ব-দীৰ্ঘ স্বৰৰ পাৰ্থক্য নাইকীয়া হৈছিল ?

২। *দুটা* বা *তিনিটা* বাক্যত উত্তৰ দিয়া : ২×৫=১০

(ক) চৰ্যাপদৰ ভাষা আৰু অসমীয়া ভাষাৰ সামীপ্য দুটা উদাহৰণৰ সহায়ত প্ৰমাণ কৰা।

(খ) শংকৰদেৱৰ 'দশম'ৰ ভাষাৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(গ) চৰিত-পুথিৰ গদ্যত মধ্যযুগৰ অসমীয়া ভাষাৰ ভাষাগত বৈশিষ্ট্য কিদৰে প্ৰকাশ পাইছে, দুটা উদাহৰণ দি দেখুওৱা।

(ঘ) আনন্দৰাম ঢেকিয়াল ফুকনে অসমীয়া ভাষাৰ পুনৰ-প্ৰচলনৰ বাবে কি উদ্যোগ লৈছিল ?

(ঙ) ''লক্ষ্মীনাথ বেজবৰুৱাৰ 'বুঢ়ী আইৰ সাধু'ত লোকভাষাৰ বৈশিষ্ট্য ৰক্ষিত হৈছে।'' কথাটো দুটা উদাহৰণেৰে সত্যাপন কৰা।

৩। চমু টোকা লিখা (যি কোনো **চাৰিটা**) : ৫×৪=২০

(ক) প্ৰাচীন অসমৰ শিলালিপিৰ ভাষা

(খ) ব্ৰজাৱলী ভাষা

(গ) মাধৱ কন্দলিৰ 'ৰামায়ণ'ৰ ভাষাগত বৈশিষ্ট্য

(ঘ) বুৰঞ্জী আৰু চৰিত-পুথিৰ ভাষাৰ পাৰ্থক্য

(ঙ) মাধৱ কন্দলি বা শংকৰদেৱৰ গ্ৰন্থক আধাৰ হিচাপে লৈ পুৰণি অসমীয়া কবিসকলে অনুবাদৰ ক্ষেত্ৰত গ্ৰহণ কৰা ৰীতি

(চ) লক্ষ্মীনাথ বেজবৰুৱাৰ 'বুঢ়ী আইৰ সাধু'ৰ ভাষাগত বৈশিষ্ট্য

৪। ৰচনাধৰ্মী উত্তৰ দিয়া (যি কোনো **চাৰিটা**) : ১০×৪=৪০

(ক) অসমীয়া ভাষাৰ উদ্ভৱ আৰু ক্ৰমবিকাশ সম্পৰ্কে এটা নিবন্ধ প্ৰস্তুত কৰা।

(খ) ড০ বাণীকান্ত কাকতিয়ে অসমীয়া ভাষাৰ যুগবিভাজন কিদৰে কৰিছে, দেখুওৱা।

(গ) চৰ্যাপদৰ ভাষাই মধ্যযুগৰ অসমীয়া ভাষাক কিদৰে প্ৰভাৱিত কৰিছে, আলোচনা কৰা।





(ঘ) মাধৱ কন্দলিৰ 'ৰামায়ণ'ৰ শব্দ-গঠন পদ্ধতি সন্দৰ্ভত এটা প্ৰবন্ধ প্ৰস্তুত কৰা।

(ঙ) অসমীয়া মন্ত্ৰপুথিৰ পৰিচয় দাঙি ধৰি মন্ত্ৰপুথিৰ ভাষা সম্পৰ্কে বহলাই আলোচনা কৰা।

(চ) যি কোনো এখন গদ্যত লিখা চৰিত-পুথিক উদাহৰণ হিচাপে লৈ তাত চৰিত-পুথিৰ গদ্যৰ সাধাৰণ বৈশিষ্ট্যসমূহ কিদৰে ধৰা পৰে, নিৰ্দেশ কৰা।

(ছ) হেমচন্দ্ৰ বৰুৱাৰ 'আত্মজীৱন চৰিত'ত অৰুণোদই যুগৰ কি কি ভাষাগত বৈশিষ্ট্য ফুটি উঠিছে, আলোচনা কৰা।

(জ) আনন্দৰাম ঢেকিয়াল ফুকন আৰু হেমচন্দ্ৰ বৰুৱাৰ ভাষাৰীতিৰ সামঞ্জস্য আৰু পাৰ্থক্য সন্দৰ্ভত বহলাই লিখা।

★★★